**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০০০০

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নৱী মুম্বাইৰ খাৰঘৰত শ্ৰীশ্ৰী ৰাধা মদন মোহনজীৰ এটা মন্দিৰ উদ্বোধন কৰি ভাৰত এখন প্ৰাণৱন্ত সংস্কৃতিৰ দেশ বুলি অভিহিত কৰে।

২। সেনা জোৱান আৰু তেওঁলোকৰ পৰিয়াললৈ শুভেচ্ছা জনাই ভাৰতীয় সেনা সাহস, ত্যাগ আৰু পেচাদাৰিত্বৰ বাবে সুবিখ্যাত বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰে।

৩। বাংলাদেশৰ উচ্চতম ন্যায়ালয়ে আজি এটা ৰায়যোগে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী বেগম খালেদা জিয়া আৰু তেওঁৰ পুত্ৰ তাৰিক ৰহমানক দুৰ্নীতিৰ গোচৰৰ পৰা দোষমুক্ত কৰিছে।

৪। চৰকাৰে প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত উপস্থিত থকা ভক্তসকলৰ বাবে পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু গুণসম্পন্ন খাদ্য যোগানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিছে।

*আৰু*

৫। ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি গুজৰাটৰ ৰাজকোটত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত শৃংখলা দখল কৰে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নৱী মুম্বাইৰ খাৰঘৰত শ্ৰীশ্ৰী ৰাধা মদন মোহনজীৰ এটা মন্দিৰ উদ্বোধন কৰে। প্ৰায় ৯ একৰ ভূমিত ইস্কনে নিৰ্মাণ কৰা এই মন্দিৰটোত ভগৱান শ্ৰীকৃষ্ণৰ লগতে ভালেমান দেৱ-দেৱীৰ মূৰ্তি স্থাপন কৰাৰ লগতে ইয়াক বৈদিক শিক্ষাৰ এটা প্ৰাণকেন্দ্ৰৰূপে গঢ়ি তোলাৰ আঁচনি লোৱা হৈছে। এই মন্দিৰ প্ৰকল্পত এটা সংগ্ৰহালয়, এটা অত্যাধুনিক প্ৰেক্ষাগৃহ, বৈদিক ৰোগ নিৰাময় কেন্দ্ৰৰ দৰে ভালেমান সা-সুবিধা নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। মন্দিৰটো উদ্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত এখন প্ৰাণৱন্ত সংস্কৃতিৰ দেশ। আধ্যাত্মিকতাক আমাৰ সংস্কৃতিৰ আধাৰ বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে

যদি কোনোবাই ভাৰতক হৃদয়ংগম কৰিব খোজে, তেন্তে তেওঁ ইয়াৰ আধ্যাত্মিকতাক উপলব্ধি কৰিব লাগিব।

00000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সেনা দিৱস উপলক্ষে সেনা জোৱান আৰু তেওঁলোকৰ পৰিয়াললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিঙে কয়, যে সাহস, ত্যাগ আৰু পেচাদাৰিত্বৰ বাবে ভাৰতীয় সেনা সুবিখ্যাত। দেশৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত দেখুওৱা উচৰ্গাৰ মনোভাৱৰ লগতে প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত নাগৰিকসকললৈ আগবঢ়োৱা সহায়-সাহায্যৰ বাবেও তেওঁ সেনা-জোৱানসকলক প্ৰশংসা কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ প্ৰতি আগবঢ়োৱা অসামান্য সেৱাৰ বাবে প্ৰতিজন নাগৰিক ভাৰতীয় সেনাৰ প্ৰতি কৃতজ্ঞ।

00000000

Chief of Defence staff জেনেৰেল অনিল চৌহানে ৭৭ সংখ্যক স্থলসেনা দিৱস উপলক্ষে সেনা বাহিনীৰ সকলো বিষয়া জোৱানলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। মুৰববীগৰাকীয়ে এটা বৰ্তাত কয়, যে এই দিনটোৱে সেনা বাহিনীৰ অদম্য সাহস, কৰ্তব্য নিষ্ঠা আৰু পেচাদাৰিত্বক উদ্‌যাপন কৰে। তেওঁ লগতে কয়, যে দেশৰ নিৰাপত্তা আৰু একতাৰ ক্ষেত্ৰত সেনা বাহিনী মূল আধাৰ হিচাপে থিয় দি আহিছে। বৰ্তমান সময়ত যুদ্ধৰ পৰিৱৰ্তিত প্ৰেক্ষাপট আৰু প্ৰযুক্তিৰ বৰ্ধিত ব্যৱহাৰত আলোকপাত কৰি জেনেৰেল চৌহানে কয়, যে উন্নত প্ৰযুক্তি আৰু ভূ-ৰাজনৈতিক ব্যৱস্থাৰ সাল সলনিৰ ফলস্বৰূপে আধুনিক যুদ্ধৰ শৈলী দ্ৰুতগতিত বৃদ্ধি পাইছে। এই ক্ষেত্ৰত আনতকৈ আগবাঢ়ি থাকিবৰ বাবে সেনা বাহিনীয়ে ইয়াৰ ৰণনীতি আৰু যুদ্ধ কৌশলৰ ক্ষেত্ৰত প্ৰযুক্তিগতভাৱে শক্তিশালী হ'ব লাগিব বুলি শ্ৰীচৌহানে প্ৰকাশ কৰে।

00000000

বাংলাদেশৰ উচ্চতম ন্যায়ালয়ে আজি এটা গুৰুত্বপূৰ্ণ ৰায়যোগে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী বেগম খালেদা জিয়া আৰু তেওঁৰ পুত্ৰ তথা বাংলাদেশ নেচনেলিষ্ট পাৰ্টীৰ শীৰ্ষ নেতা তাৰিক ৰহমানক দুৰ্নীতিৰ গোচৰৰ পৰা দোষমুক্ত কৰিছে। বাংলাদেশৰ মুখ্য ন্যায়াধীশ চৈয়দ ৰাফাৎ আহমেদৰ নেতৃত্বৰ এখন ৫ জনীয়া খণ্ড বিচাৰপীঠে ২০০৮ চনত তদানীন্তন শ্বেখ হাচিনা চৰকাৰৰ দিনত উন্মোচিত জিয়া অনাথ আশ্ৰম ন্যাসৰ দুৰ্নীতিৰ গোচৰত বেগম খালেদা জিয়া, তেওঁৰ পুত্ৰ আৰু আন কেইবাজনক দিয়া ১০ বছৰৰ কাৰাদণ্ডৰ নিৰ্দেশ খাৰিজ কৰে। খণ্ড আদালতে দিয়া এই ৰায়টোত বেগম খালেদা জিয়াৰ বিৰুদ্ধে প্ৰতিশোধমূলকভাৱে এই গোচৰ তৰা হৈছিল বুলি মন্তব্য কৰে। আজিৰ এই ৰায়দানৰ ফলত বেগম খালেদা জিয়া আৰু তেওঁৰ পুত্ৰ তাৰিক ৰহমানে দেশখনৰ পৰৱৰ্তী সংসদীয় নিৰ্বাচনত ভাগ ল'ব পাৰিব। উল্লেখযোগ্য যে, বেগম খালেদা জিয়া প্ৰধানমন্ত্ৰিত্বৰ কালত ২০০১ চনৰ পৰা ২০০৬ চনৰ ভিতৰত দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা খালেদা জিয়াৰ স্বামী জিয়াউৰ ৰহমানৰ নামত খোলা জিয়া অনাথ আশ্ৰম ন্যাসলৈ বিদেশী দানৰূপে লাভ কৰা ২১ নিযুত বাংলাদেশী টাকা মূল্যৰ ধন আত্মসাৎ কৰা বুলি অভিযোগ উঠিছিল আৰু তেতিয়াৰ শ্বেখ হাচিনা চৰকাৰে চলোৱা তদন্তত বেগম খালেদা জিয়া আৰু তেওঁৰ সহযোগীসকলক দোষী বুলি অভিযুক্ত কৰা হৈছিল। ঢাকাৰ নিম্ন আদালতে এই গোচৰত খালেদা জিয়া আৰু তাৰিক ৰহমানক দোষী সাব্যস্ত কৰি ৫ বছৰৰ কাৰাদণ্ড বিহিছিল আৰু পৰৱৰ্তী কালত ঢাকা উচ্চ ন্যায়ালয়ে এই কাৰাদণ্ডৰ ম্যাদ ১০ বছৰলৈ বৃদ্ধি কৰিছিল।

00000000

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জগৎ প্ৰকাশ নাড্ডাই দেশক দুৰ্বল কৰিবলৈ কাম কৰি থকা শক্তিসমূহক কংগ্ৰেছ দলে সদায় সহায় কৰি আহিছে বুলি অভিযোগ কৰে। জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে অনা অভিযোগসমূহৰ উত্তৰত শ্ৰীনাড্ডাই কয়, যে কংগ্ৰেছ নেতাজনে বিজেপি, আৰ এছ এছ আৰু সমগ্ৰ দেশখনৰ বিৰুদ্ধে এক প্ৰকাৰে যুদ্ধত লিপ্ত হৈছে। কংগ্ৰেছ দলৰ ক্ষমতাৰ লোভে দেশৰ একতাৰ প্ৰতি ভাবুকি আনিছে আৰু জনসাধাৰণৰ বিশ্বাসত আঘাত হানিছে বুলিও শ্ৰীনাড্ডাই অভিযোগ কৰে। তেওঁ লগতে কয়, যে দেশখনৰ নাগৰিকসকল জ্ঞানী আৰু তেওঁলোকে আগতে কৰি অহাৰ দৰেই অনাগত দিনবোৰতো ৰাহুল গান্ধী আৰু তেওঁৰ মতাদৰ্শক প্ৰত্যাখ্যান কৰিব।

oooooooo

চৰকাৰে প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত উপস্থিত থকা ভক্তসকলৰ বাবে পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু গুণসম্পন্ন খাদ্য যোগানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিছে। এই ব্যৱস্থাসমূহ সুনিশ্চিত কৰাৰ বাবে খাদ্য সুৰক্ষা বিষয়াসকলক কৰ্তব্যত মকৰল কৰা হৈছে। আকাশবাণীৰ সংবাদদাতাই জনাইছে যে, এইবাৰৰ কুম্ভমেলাক ৫ টা ক্ষেত্ৰ আৰু ২৫ টা খণ্ডত বিভক্ত কৰা হৈছে। কেন্দ্ৰীয় কাৰ্য্যালয়ে খাদ্য সুৰক্ষাৰ ব্যৱস্থাসমূহৰ সঞ্চালনা কৰি আছে। নিৰীক্ষণৰ কাৰ্য্যৰ বাবে বিভিন্ন স্থানীয় দলৰ ওপৰত দায়িত্ব অৰ্পণ কৰা হৈছে। বিভিন্ন ভ্ৰাম্যমান পৰীক্ষাগাৰত খাদ্য পৰীক্ষা কৰা হৈছে আৰু দুৰ্গন্ধময় তথা বেয়া খাদ্য যাতে বিতৰণ কৰা নাযায়, তাৰ ওপৰত নজৰ ৰখা হৈছে। ইয়াৰ লগতে স্থানীয় হোটেল, ধাবা আৰু সৰু-সুৰা খাদ্যৰ বিপণীসমূহৰ খাদ্যসমূহো পৰীক্ষা কৰি থকা হৈছে। চৰকাৰে মহাকুম্ভ মেলাৰ ভক্তসকলে যাতে সুৰক্ষিত আৰু সন্তোষজনক অভিজ্ঞতা লৈ ঘৰলৈ ঘূৰি যাব পাৰে, তাৰ প্ৰতি বিশেষ গুৰুত্ব দিছে।

oooooooo

কেতবোৰ সংগঠিত অপৰাধী গোট আৰু সন্ত্ৰাসবাদী সংগঠনৰ অপৰাধমূলক কাৰ্য্যকলাপ সন্দৰ্ভত মাৰ্কিন কৰ্তৃপক্ষৰ পৰা পোৱা তথ্যৰ পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰে গঠন কৰা উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে কেন্দ্ৰীয় চৰকাৰক ইয়াৰ প্ৰতিবেদন দাখিল কৰিছে। এই প্ৰতিবেদনত পূৰ্বে অপৰাধমূলক কাৰ্য্য-কলাপত জড়িত ব্যক্তিকো তদন্তৰ আওঁতালৈ আনিবলৈ পৰামৰ্শ দিছে। চৰকাৰী সূত্ৰৰ বাতৰি অনুসৰি, এনে ঘটনাৰ অনুসন্ধানৰ পাছত অপৰাধী গোট আৰু সন্ত্ৰাসবাদী সংগঠনৰ বিৰুদ্ধে আইনী ব্যৱস্থা শীঘ্ৰে সম্পন্ন কৰিবলৈও পৰামৰ্শ আগবঢ়োৱা হৈছে। প্ৰতিবেদনত এনে গুৰুতৰ অপৰাধমূলক ষড়যন্ত্ৰৰ বিৰুদ্ধে দেশৰ প্ৰতিৰোধমূলক ব্যৱস্থাৱলীৰ উন্নয়ন সাধন, আৰু বিভিন্ন তদন্তকাৰী সংস্থাৰ মাজত সু-সমন্বয় নিশ্চিত কৰা আদি আন কেইবাটাও পৰামৰ্শ আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে, আন্তৰ্জাতিক যোগাযোগ থকা কেতবোৰ সংগঠিত অপৰাধী গোট আৰু সন্ত্ৰাসবাদী সংগঠনে ভাৰত আৰু আমেৰিকাত কেতবোৰ সন্ত্ৰাসবাদী কাৰ্য্য-কলাপ সংঘটিত কৰাৰ ষড়যন্ত্ৰৰ তথ্য লাভৰ পাছতেই ২০২৩ বৰ্ষৰ নবেম্বৰ মাহত এই কমিটিখন গঠন কৰা হৈছিল। মাৰ্কিন কৰ্তৃপক্ষই এই ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়ায় বুলি গৃহ মন্ত্ৰালয়ৰ সূত্ৰই জানিবলৈ দিছে।

oooooooo

অহা ৫ ফেব্ৰুৱাৰীত দিল্লীত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ অন্ত পৰিবলৈ মাজত মাথো দুটা দিন থকাৰ অৱস্থাত দিল্লীত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। আম আদমী পাৰ্টীৰ নেতা তথা দিল্লীৰ প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি নতুন দিল্লী সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰদেশ বিজেপিৰ শীৰ্ষ নেতা পাৰবেশ বাৰ্মায়ো একেটা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল

কৰিছে। আজি ৰাজ্যখনৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ নেতা মনীষ সিসোদিয়ায়ো জংগপুৰা সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। আজি দিল্লীৰ প্ৰদেশ বিজেপিৰ প্ৰাক্তন সভাপতি সতীশ উপাধ্যায়ে মালৱিয়া নগৰ আসনৰ বাবে আৰু ৰমেশ বিধুৰিয়ে কালকাজি সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ পাছত আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালে কয়, যে দিল্লীৰ জনসাধাৰণে যোৱা ১০ বছৰ আম আদমী পাৰ্টীৰ কাম-কাজৰ ভিত্তিতে তেওঁৰ দলৰ পক্ষে পুনৰ ভোটদান কৰিব। বিজেপি দলৰ ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বাবে কোনো ভৱিষ্য দৰ্শন নাই বুলি কেজৰিৱালে অভিযোগ কৰে। আনহাতে, সমষ্টিটোৰ তেওঁৰ প্ৰতিদ্বন্দ্বী পাৰৱেশ বাৰ্মাই এই নিৰ্বাচনত দিল্লীৰ ভোটদাতাসকলে তেওঁৰ দল বিজেপিক বিপুল ভোটত জয়যুক্ত কৰিব বুলি আস্থা প্ৰকাশ কৰে।

oooooooo

ভাৰতীয় মহিলা ক্ৰিকেট দলে আজি গুজৰাটৰ ৰাজকোটত অনুষ্ঠিত তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আয়ৰলেণ্ডক ৩০৪ ৰাণত পৰাস্ত কৰি ৩-০ৰ ফলাফলেৰে শৃংখলা দখল কৰে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৪৩৫ ৰাণ কৰি ইতিহাস ৰচনা কৰে। এয়া এদিনীয়া ক্ৰিকেটত ভাৰতীয় মহিলা দলৰ সৰ্বাধিক আৰু মহিলা ক্ৰিকেটৰ ইতিহাসত চতুৰ্থ সৰ্বাধিক। খেলখনত ভাতৰত হৈ অ'পেনাৰ স্মৃতি মান্ধানাই ৮০টা বলত ১৩৫ ৰাণ আৰু প্ৰতীকা ৰাৱালে ১২৯টা বলত ১৫৪ ৰাণ কৰে। মান্ধানা আৰু প্ৰতীকাৰ অ'পেনিং যুটীটোৰে মাত্ৰ ২৬ অভাৰ আৰু চাৰিটা বলত ২৩১ ৰাণ কৰে। প্ৰত্যুত্তৰত আয়ৰলেণ্ডে ৩১ অভাৰ আৰু চাৰিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৩১ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ দিপ্তী শৰ্মাই তিনিটা আৰু তনুজা কনৱাৰে দুটা উইকেট দখল কৰে।

oooooooo

সমাপ্ত